জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

বিংশতিতম বছৰ, সংখ্যা ৩৮৮ ● সোমবাৰ ● ২০ আহিন ১৯৪৬ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Monday October 7, 2024 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ পৰা প্ৰ

অনুষ্ঠিত কংগ্ৰেছ দলৰ এখন সভাত বিজেপিৰ ১০৬ জন কৰ্মীয়ে কংগ্ৰেছ দলত যোগদান কৰে । কংগ্ৰেছ দলৰ কাকজান মণ্ডল কমিটীয়ে আয়োজন কৰা এই দলীয় সভাখনত বিজেপিৰ চাহ মৰ্চাৰ প্ৰাক্তন নেত্ৰী কমল ভূমিজা, বিজেপিৰ সক্ৰিয় নেতা বিপন গড় আৰু ৰৌজী ডাঙৰ নেতৃত্বত বিজেপিৰ ১০৬ জন কৰ্মীয়ে কংগ্ৰেছত যোগদান কৰে বুলি অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক তথা ডুমডুমা সমষ্টিৰ প্ৰাক্তন বিধায়ক দুৰ্গা ভূমিজে সংবাদ মাধ্যমক জানিবলৈ দিয়ে। তেওঁ জানিবলৈ দিয়া মতে, শাসকীয় দলৰ ডুমডুমা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালাই অসম চাহ

## কানৈ মহাবিদ্যালয়ত ‘শিক্ষাৰ্থী আদৰণি’

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ৬ অক্টোবৰ ঃ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধীনৰ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় অধ্যয়ন কেন্দ্ৰৰ চলিত ২০২৪-২৫বৰ্ষৰ শিক্ষাবৰ্ষত নামভৰ্তি কৰা শিক্ষাৰ্থীসকলৰ এক আদৰণী অনুষ্ঠান আজি মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অধ্যয়ন কেন্দ্ৰৰ সমন্বয়ক তথা মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামীয়ে শিক্ষাৰ্থীসকলক আদৰণি জনাই বক্তব্য আগবঢ়োৱাৰ পাছতেই মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° মৃদুল শৰ্মাই বক্তব্য আগবঢ়ায়। ভাৰতৰ জনসংখ্যা, শিক্ষা ব্যৱস্থাকে আদি কৰি ভালেকেইটা গুৰুত্বপূৰ্ণ বিষয় সামৰি প্ৰদান কৰা বক্তব্যৰ জৰিয়তে ড° শৰ্মাই বৰ্তমান সময়ত অসমৰ উপৰি সমগ্ৰ দেশৰ শিক্ষাব্যৱস্থাত মুক্ত তথা দূৰ সংযোগী শিক্ষাৰ প্ৰাসংগিকতাৰ কথা দোহাৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই সাম্প্ৰতিক সময়ত সমাজৰ কেউফালে সঘনাই দেখিবলৈ পোৱা কিছু অপ্ৰীতিকৰ, গৰ্হিত কাৰ্যৰ বিপক্ষে নৱপ্ৰজন্মক সাহসেৰে মাত মাতিবলৈ তথা মাৰ বান্ধি আগুৱাই যাবলৈ আহ্বান জনায়। ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি ড° শইকীয়াই কয়, ‘অধ্যয়নশীল, জ্ঞানপিপাসু, কষ্টসহিষ্ণুসকলেহে জীৱনত সফলতাৰ শীৰ্ষত উপনীত হোৱাৰ সুযোগ পায়। শিক্ষাগ্ৰহণৰ সমান্তৰালকৈ আমাৰ ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীসকলে নৈতিক চৰিত্ৰ গঠনতো মনোনিৱেশ কৰিব লাগিব।’ ডিব্ৰুগড় পলিটেকনিকৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° প্ৰণৱজ্যোতি লহকৰেও শিক্ষাৰ্থীসকলক উদ্দেশ্যি বক্তব্য আগবঢ়ায়। অনুষ্ঠানটোত অধ্যয়ন কেন্দ্ৰৰ কেইবাগৰাকীও শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী, অভিভাৱক উপস্থিত থাকে।

Plant Fast Growing Tree &
OPHTH
Diagnostic C
Chandra Prab
The Gan
আপোনাৰ বয়স যদি ৪০ বছ